Total No. of Printed Pages—7

**6 SEM TDC DSE ASM (CBCS)**
**2(H) (A/B/C/D/E)**

**2022**

( June/July )

# ASSAMESE

( Discipline Specific Elective )

( For Honours )

Paper : DSE-2(H)

**[ Special Author : (A) Bhupen Hazarika**
**(B) Bhabendra Nath Saikia**
**(C) Birendra Kr. Bhattacharya**
**(D) Mamoni Raisom Goswami**
**(E) Nirupoma Borgohain ]**

*Full Marks* : 80
*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

**(A)**

**( বিশেষ লেখক : ভূপেন হাজৰিকা )**

১। ভূপেন হাজৰিকাৰ জীৱন আৰু কৰ্মৰাজিৰ এটি সামগ্ৰিক পৰিচয় আগবঢ়োৱাঁ। ১৬

২। তলত দিয়া যি কোনো চাৰিটাৰ উত্তৰ কৰিবাঁ : ১৬×৪=৬৪

(ক) ভূপেন হাজৰিকাৰ গীতৰ বৈশিষ্ট্য নিৰ্ণয় কৰি এটি প্ৰবন্ধ যুগুত কৰাঁ।

(খ) এজন বিশিষ্ট গদ্য-লেখক ৰূপে ভূপেন হাজৰিকাৰ গদ্যৰাজিৰ মূল্যায়ন কৰাঁ।

(গ) ভূপেন হাজৰিকাৰ কবিতাত জাতীয় জীৱনৰ প্ৰতিফলন আৰু মানৱীয় চেতনাৰ প্ৰকাশ কেনেকৈ হৈছে, উদাহৰণসহ লিখাঁ।

(ঘ) ভূপেন হাজৰিকাৰ গীতত কেনেকৈ সম্প্ৰীতিৰ চিত্ৰ ফুটি উঠিছে, উদাহৰণসহ বিৱৰি লিখাঁ।

(ঙ) ভূপেন হাজৰিকাৰ সাংবাদিক জীৱনৰ এটি পৰিচয় আগবঢ়োৱাঁ।

(চ) "ভূপেন হাজৰিকা নিঃসন্দেহে অসমীয়া জাতীয় সঙ্গীতকাৰ, জাতীয় গীতিকাৰ আৰু জাতীয় গায়ক"—উপযুক্ত উদ্ধৃতিসহ ব্যাখ্যা কৰাঁ।

(ছ) শিশু-সাহিত্যিক ৰূপে ভূপেন হাজৰিকাৰ মূল্যায়ন কৰাঁ।

**(B)**

**( বিশেষ লেখক : ভৱেন্দ্ৰনাথ শইকীয়া )**

১। ভৱেন্দ্ৰনাথ শইকীয়াৰ জীৱন আৰু সাহিত্যকৃতিৰ ওপৰত আলোকপাত কৰি এটি প্ৰবন্ধ লিখাঁ। ১৬





২। তলত দিয়া যি কোনো চাৰিটাৰ উত্তৰ কৰিবাঁ : ১৬×৪=৬৪

(ক) অসমীয়া গল্প-সাহিত্যত ভৱেন্দ্ৰনাথ শইকীয়াৰ স্থান নিৰূপণ কৰি এটি আলোচনা যুগুত কৰাঁ।

(খ) "অসমীয়া নাট্যজগতলৈ ভৱেন্দ্ৰনাথ শইকীয়াৰ অৱদান।" শীৰ্ষক এটি টোকা প্ৰস্তুত কৰাঁ।

(গ) ভৱেন্দ্ৰনাথ শইকীয়াৰ চিন্তামূলক গদ্যৰাজিৰ পৰিচয় দি তাৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰাঁ।

(ঘ) ভৱেন্দ্ৰনাথ শইকীয়াৰ শিশু সাহিত্যৰাজিৰ এক সামগ্ৰিক মূল্যায়ন আগবঢ়োৱাঁ।

(ঙ) ভৱেন্দ্ৰনাথ শইকীয়াৰ যি কোনো এখন উপন্যাসৰ বিষয়বস্তু আৰু উপস্থাপন-ৰীতি সম্পৰ্কে এটি আলচ যুগুত কৰাঁ।

(চ) 'ভৱেন্দ্ৰনাথ শইকীয়া আৰু অসমীয়া সংবাদজগত।' এই শীৰ্ষক এটি নিবন্ধ লিখাঁ।

(ছ) 'সাহিত্যৰ চলচ্চিত্ৰকৰণ আৰু ভৱেন্দ্ৰনাথ শইকীয়া' এই শিৰোনামেৰে এটি আলোচনা প্ৰস্তুত কৰাঁ।

## (C)

### ( বিশেষ লেখক : বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য )

১। বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰ জীৱন আৰু সাহিত্যকৰ্ম সম্পৰ্কে এটি পৰিচয়মূলক নিবন্ধ লিখাঁ। ১৬

২। তলত দিয়া যি কোনো চাৰিটাৰ উত্তৰ কৰিবাঁ : ১৬×৪=৬৪

(ক) গল্পকাৰৰূপে বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰ এটি পৰিচয় আগবঢ়াই তেওঁৰ গল্পৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰাঁ।

(খ) বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰ চিন্তামূলক গদ্যৰাজিৰ এক মূল্যায়ন আগবঢ়োৱাঁ।

(গ) বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰ 'মৃত্যুঞ্জয়' উপন্যাসৰ বিষয়বস্তুৰ পৰিচয় দি উপন্যাসখনৰ প্ৰধান চৰিত্ৰটো বিশ্লেষণ কৰাঁ।

(ঘ) অসমীয়া নাট্যজগতলৈ বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যই আগবঢ়োৱা অৱদান সম্পৰ্কে এটি আলচ যুগুত কৰাঁ।

(ঙ) 'ইয়াৰুইঙ্গম' উপন্যাসৰ বিশিষ্টতা সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰাঁ।

(চ) বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰ কবিতাসমূহৰ আধাৰত কবি হিচাপে তেওঁৰ মূল্যায়ন কৰাঁ।

(ছ) বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰ সাংবাদিক জীৱনৰ পৰিচয় দি সাংবাদিকতাৰ জড়িয়তে অসমীয়া ভাষা-সাহিত্যলৈ তেওঁ আগবঢ়োৱা অৱদান সম্পৰ্কে লিখাঁ।





## (D)

### ( বিশেষ লেখক : মামণি ৰয়ছম গোস্বামী )

১। মামণি ৰয়ছম গোস্বামীৰ জীৱন আৰু সাহিত্যকৃতিৰ বিষয়ে এটি পৰিচয়সূচক টোকা প্ৰস্তুত কৰাঁ। ১৬

২। তলৰ যি কোনো চাৰিটাৰ উত্তৰ কৰিবাঁ : ১৬×৪=৬৪

(ক) মামণি ৰয়ছম গোস্বামীৰ গল্পৰ বিশিষ্টতা সম্পৰ্কে এটি প্ৰবন্ধ লিখাঁ।

(খ) "দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' ভাৰতীয় সাহিত্যৰ এখন শ্ৰেষ্ঠ গ্ৰন্থ।" কথাষাৰ বিচাৰ কৰাঁ।

(গ) আত্মজীৱনী হিচাপে 'আধালেখা দস্তাবেজ'-ৰ মূল্যায়ন কৰাঁ।

(ঘ) "বিষয়বস্তুৰ দিশৰ পৰা মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰ অগতানুগতিকতা আৰু বিচিত্ৰতা লক্ষ্যণীয়।" কথাষাৰ বিচাৰ কৰাঁ।

(ঙ) 'তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা'-ৰ বিষয়বস্তুৰ পৰিচয় আগবঢ়াই এটি টোকা লিখাঁ।

(চ) 'মামণি ৰয়ছম গোস্বামীৰ সাহিত্যৰ মানৱিক চেতনা।' এই সম্পৰ্কে এটি নিবন্ধ লিখাঁ।

(ছ) অসমীয়া গদ্য-সাহিত্যত মামণি ৰয়ছম গোস্বামীৰ স্থান নিৰ্ণয় কৰি এটি প্ৰবন্ধ লিখাঁ।

**(E)**

**( বিশেষ লেখক : নিৰুপমা বৰগোহাঞিঃ )**

১। নিৰুপ... বৰগোহাঞিৰ জীৱন আৰু সাহিত্যকৰ্মত আলোকপাত কৰি এটি পৰিচয়মূলক প্ৰবন্ধ লিখাঁ। ১৬

২। তলৰ যি কোনো চাৰিটাৰ উত্তৰ কৰিবাঁ : ১৬×৪=৬৪

(ক) এগৰাকী গল্পকাৰ ৰূপে নিৰুপমা বৰগোহাঞিৰ গল্পৰ মূল্যায়ন কৰাঁ।

(খ) নিৰুপমা বৰগোহাঞিৰ আত্মজীৱনীখনৰ সাহিত্যিক মূল্যায়ন আগবঢ়োৱাঁ।

(গ) 'ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ' উপন্যাসখনৰ বিষয়বস্তুৰ পৰিচয় দি মূল চৰিত্ৰটো বিশ্লেষণ কৰাঁ।

(ঘ) বাস্তৱ বিষয়বস্তু-আধাৰিত উপন্যাসৰূপে 'অভিযাত্ৰী' উপন্যাসৰ পৰিচয় দি উপন্যাসখনৰ বৈশিষ্ট্যসমূহ আলোচনা কৰাঁ।





(ঙ) এগৰাকী নাৰীবাদী লেখিকা হিচাপে নিৰুপমা বৰগোহাঞিৰ সাহিত্যকৰ্ম বিচাৰ কৰাঁ।

(চ) নিৰুপমা বৰগোহাঞিৰ গদ্যৰ বৈশিষ্ট্য বিশ্লেষণ কৰাঁ।

(ছ) নিৰুপমা বৰগোহাঞিৰ সাহিত্যত মানৱীয় চেতনা কেনেকৈ প্ৰতিফলন হৈছে, লিখাঁ।

★★★